# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
-------------------

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষী জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত এছ আই টিয়ে পাঁচোজন অভিযুক্তক আজি আদালতত হাজিৰ কৰোৱায় আৰু ন্যায়ালয়ে অভিযুক্তকেইজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অভিযুক্তকেইজনক কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত বাক্সা জিলাৰ নিকাছিৰ নৱনিৰ্মিত কাৰাগাৰলৈ স্থানান্তৰ কৰা হয়। আমাৰ বাক্সাৰ সংবাদদাতাই জনোৱা মতে কাৰাগাৰলৈ অভিযুক্তকেইগৰাকীক নিয়াৰ সময়ত আজি স্থানীয় লোকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উত্তেজিত লোকসকলে আৰক্ষীলৈ লক্ষ্য কৰি শিল দলিওৱাৰ উপৰি আৰক্ষী আৰু সংবাদ মাধ্যমৰ কেইবাখনো বাহনত অগ্নিসংযোগ কৰে। আটাইকেইজন অভিযুক্তক কাৰাগাৰৰ বাহিৰলৈ উলিয়াই দিয়াৰ দাবী জনাই ভালেসংখ্যক লোকে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। ইপিনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে শূন্যলৈ গুলীচালনা কৰাৰ সময়ত এজন লোক গুলীবিদ্ধ হোৱাৰ বাতৰি পোৱা গৈছে। প্ৰতিবাদকাৰীৰ আক্ৰমণত মহিলা আৰক্ষীসহ কেইবাজনো জোৱান আৰু সাংবাদিক আহত হৈছে। স্থানীয় আৰক্ষী প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱৰাত দৰং, বৰপেটা আৰু নলবাৰীৰ পৰা অতিৰিক্ত নিৰাপত্তাৰক্ষীৰ দলৰ লগতে অৰ্ধসামৰিক বাহিনী প্ৰেৰণ কৰা হৈছে। গুৱাহাটীৰ পৰা গৃহ বিভাগৰ শীৰ্ষ বিষয়াৰ এটা দলো ঘটনাস্থলীলৈ ইতিমধ্যে ৰাওনা হৈছে। প্ৰতিবাদকাৰীসকলে ঘটনাস্থলীলৈ ৰাওনা হোৱা আৰক্ষী বিষয়াক ঘটনাস্থলীৰ কিছু দূৰৈত আৱদ্ধ কৰি ৰখাৰো বাতৰি আহিছে। পৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত বাক্সা জিলাত সান্ধ্য আইন জাৰি কৰা হৈছে।

০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীৰ অসম ভৱনত ছিংগাপুৰৰ উচ্চায়ুক্তৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত ড০ শৰ্মাই সাংবাদিকৰ আগত ছিংগাপুৰ আৰক্ষীয়ে শীঘ্ৰেই তদন্তৰ সবিশেষ প্ৰকাশ কৰিব বুলি জানিবলৈ দিয়ে। ছিংগাপুৰ আৰক্ষীয়ে অনুমতি দিলে তদন্তৰ বাবে এছ আই টিৰ দল অতি সোনকালে ছিংগাপুৰলৈ যাব বুলিও মুখ্যমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত পেছাদাৰীভাৱে চলিছে বুলি উল্লেখ কৰি তেওঁ অসমবাসীক ধৈৰ্য ধৰিবলৈ আৰু চৰকাৰ তথা ন্যায়ালয়ৰ ওপৰত আস্থা ৰাখিবলৈ আহ্বান জনায়। এটা মহলে নিৰ্বাচনৰ পূৰ্বে অসমক অশান্ত কৰাৰ চেষ্টা চলাই আহিছে বুলি উল্লেখ কৰি বাক্সাৰ নিকাছিৰ ঘটনা ইয়াৰে অংশ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। আজিৰ বাক্সাৰ ঘটনাক অতি দুখজনক আখ্যা দি মুখ্যমন্ত্ৰীয়ে কাৰোবাৰ উচতনিত ৰাইজক আইন হাতত তুলি নল'বলৈ আহ্বান

জনায়। নিৰ্ধাৰিত সময়তকৈ আগেয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত অভিযোগনামা দাখিল কৰিব পৰা যাব বুলিও ড০ শৰ্মাই সাংবাদিকৰ আগত কয়।

০০০০

অসম চৰকাৰে নিবনুৱা যুৱক-যুৱতীক স্বাৱলম্বী কৰাৰ লগতে দক্ষ চালক গঢ় দিয়াৰ বাবে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে চালক প্ৰশিক্ষন কেন্দ্ৰ স্থাপন কৰিব। ইতিপূৰ্বে ৰাজ্যৰ বাজেটত ইয়াৰ বাবে অনুমোদন দিয়া হৈছে আৰু শীঘ্ৰে এই কেন্দ্ৰসমূহ প্ৰতিষ্ঠা কৰা হ'ব। পৰিবহন মন্ত্ৰী যোগেন মহনে এই বিষয়ে প্ৰকাশ কৰে। ইয়াৰ ফলত বহু যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব। তদুপৰি চালকসকল দক্ষ আৰু প্ৰশিক্ষিত হোৱাৰ ফলত পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

বাইট

০০০০০

অসম চৰকাৰে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিক সামৰি ৰূপায়ণ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ কাৰ্যসূচীৰ অধীনত আজিও বিভিন্ন জিলাত শিবিৰ মুকলি কৰা হয়। ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি বিধায়ক তৰংগ গগৈয়ে এই শিবিৰ উদ্বোধন কৰে। এই স্বাস্থ্য শিবিৰত সমষ্টিটোৰ ২৩৮ খনৰো অধিক বিদ্যালয় আৰু ৩০০টা অংগনৱাড়ী কেন্দ্ৰৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব। জিলাখনত অহা ২৫ অক্টোবৰত টিংখং বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, ২৭ অক্টোবৰত খোৱাঙৰ কুটুহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু ৩০ অক্টোবৰত দুলীয়াজান বিহুতলীত অন্তিমটো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব।

ৰাজ্যজুৰি অনুষ্ঠিত **শুশ্ৰূষা সেতু** শীৰ্ষক এই শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। কালি পৰ্যন্ত ৰাজ্যৰ ৩৯টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত আজি বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়।

০০০০০

ৰাষ্ট্ৰীয় ধপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত আজিৰে পৰা ৰাজ্যৰ বিভিন্ন জিলাত তৃতীয় পৰ্যায়ৰ ধপাতমুক্ত যুৱ অভিযান ৰূপায়ণ কৰা হৈছে। ধেমাজী জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আৰু জিলা স্বাস্থ্য কমিটিৰ সহযোগত আজি ধেমাজী স্বাস্থ্য ভৱনত এই অভিযান শুভাৰম্ভ কৰা হয়। নৱ প্ৰজন্মৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লগতে তেওঁলোকক ধপাতমুক্ত জীৱনশৈলী গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ বাবে ৰূপায়ণ কৰিবলৈ লোৱা এই আঁচনিৰ অধীনত অহা ৭ ডিচেম্বৰ পৰ্যন্ত বিভিন্ন সজাগতামূলক কাৰ্যসূচী লোৱা হ'ব। আজি শুভাৰম্ভ উপলক্ষে জিলাখনৰ বিভিন্ন থানাৰ আৰক্ষী বিষয়া আৰু কৰ্মীৰ উপস্থিতিত চিগাৰেট আৰু অন্যান্য ধপাত জাতীয় সামগ্ৰী আইন ২০০৩ সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ